*7.1.11 Institution celebrates / organizes national and international commemorative days, events and festivals*

**Annual report of the celebrations and commemorative events for the year 2020-21**




*Celebration of International Women's Day 2020*



*Birth Anniversary of Dr. Bhupen Hazarika 5th November 2020*

**WALKATHON**

**Walk fit to Stay Fit**

**February 2020**
















**Celebration of World Poetry day 2021**



# ৰঙিয়াত উন্মোচন
# ‘প্ৰজ্ঞাৰ সন্ধান’-‘অমৃতৰ ছন্দ’

**নিয়মীয়া বাৰ্তা, ৰঙিয়া, ২৪ ছেপ্টেম্বৰ ঃ** আজি ৰঙিয়া মহাবিদ্যালয়ৰ সভাকক্ষত সদৌ অসম কবি মঞ্চৰ ই-আলোচনী প্ৰজ্ঞাৰ সন্ধানত প্ৰথম বছৰৰ তৃতীয় সংখ্যা আৰু বিশিষ্ট লেখিকা ড° ৰুণুমী দত্ত ডেকাৰ আধ্যাত্মিক গ্ৰন্থ ‘অমৃতৰ ছন্দ’ উন্মোচন কৰা হয়। প্ৰজ্ঞাৰ সন্ধানৰ তৃতীয় সংখ্যাটি উন্মোচন কৰে ৰাজ্যসভাৰ সাংসদ ভুবনেশ্বৰ কলিতাই। ড° ৰুণুমী দত্ত ডেকাৰ ‘অমৃতৰ ছন্দ’ উন্মোচন কৰে বিশিষ্ট কবি নয়ন নীলিমে। উন্মোচনী অনুষ্ঠানত উপস্থিত থাকে অসম আৰক্ষীৰ যুটীয়া আৰক্ষী আয়ুক্ত তথা বিশিষ্ট লেখক পাৰ্থসাৰথি মহন্ত। লগতে অনুষ্ঠানত উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিৱেশ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° হৰিপ্ৰসাদ শৰ্মা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° প্ৰশান্ত শৰ্মা, ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ব্ৰজেন্দ্ৰ শইকীয়া, অধ্যাপক ড° হিতেশ বৰ্মন, বিশিষ্ট সমাজসেৱক দিনমণি ভাণ্ডাৰ কায়স্থৰ লগতে বহুকেইগৰাকী ব্যক্তি। সভাত আদৰণী ভাষণ দিয়ে মঞ্চৰ সভাপতি জাভেদ জামানে। মঞ্চৰ প্ৰধান সম্পাদক জিতু কাঞ্চনে আঁত ধৰা অনুষ্ঠানত মঞ্চৰ কাৰ্যকৰী সভাপতি মানসী শইকীয়া, উপ-সভাপতি ৰঞ্জনা পাঠক, পত্ৰিকা সম্পাদক চাকিল আহমেদ, কাব্য সংকলন সম্পাদক অলকেশ কলিতা, সাংগঠনিক সম্পাদক কুলদীপ গৌতম শৰ্মা, কোষাধ্যক্ষ নয়ন কমল মহন্তৰ লগতে কেইবাজনো কেন্দ্ৰীয় বিষয়ববীয়া উপস্থিত থাকে।



# ৰঙিয়া কলেজত মাণ্ডেলা আৰ্ট পট্ৰেইট আৰু হস্তকলাৰ প্ৰদৰ্শনী

প্ৰতিদিন সেৱা, ৰঙিয়া, ১ এপ্ৰিল ঃ ৰঙিয়া মহাবিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা কোষৰ অধীনৰ আৰ্ট এণ্ড ক্ৰাফ্‌ট ক্লাবৰ উদ্যোগত ২৬ মাৰ্চত মহাবিদালয় চৌহদত প্ৰথমবাৰৰ বাবে এখন অতি উন্নতমানৰ চিত্ৰ আৰু হস্তকলা প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। প্ৰাকৃতিক সৌন্দৰ্য, প্ৰতিকৃতি (পট্ৰেইট) আৰু মাণ্ডেলা বিষয়ক এই চিত্ৰ প্ৰদৰ্শনীত প্ৰায় ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সৃষ্টিকৰ্ম প্ৰদৰ্শন কৰে। প্ৰদৰ্শনী উদ্বোধন কৰে উপাধ্যক্ষ ড° সাৰংগপাণি শইকীয়াই। আৰ্ট এণ্ড ক্ৰাফ্‌ট ক্লাবৰ আহ্বায়ক ড° দীপা ভট্টাচাৰ্যই এই প্ৰদৰ্শনী সন্দৰ্ভত কয়— সম্প্ৰসাৰণ শিক্ষা কোষৰ অধীনত ৰঙিয়া মহাবিদ্যালয়ত এঘাৰটা ক্লাব আছে। গ্ৰন্থপ্ৰেমী, তৰ্ক আৰু সাহিত্য মেডিটেচন, ফটোগ্ৰাফী আদি বিষয়ৰ এই ক্লাবসমূহে নিজৰ নিজৰ সেৱা আগবঢ়াই আহিছে। সম্প্ৰসাৰণ শিক্ষা কোষৰ আহ্বায়ক ড° লীনা বৰদলৈয়ে কয়— মূলতঃ ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা আৰু চিন্তন-মননৰ বিকাশ সাধন কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচী হাতত লোৱা হৈছে। প্ৰায় ১৭০ খন চিত্ৰ আৰু হস্তকলা প্ৰদৰ্শন কৰা প্ৰদৰ্শনীত সহযোগী অধ্যাপিকা ড° লতিকা মজুমদাৰ, মনোৱাৰা বেগম, ড° দীপালী দেৱী আদিয়েও অংশগ্ৰহণ কৰে। প্ৰদৰ্শনীত শিক্ষা মন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মা, প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীৰ পৰা আৰম্ভ কৰি জুবিন গাৰ্গলৈ প্ৰখ্যাত ব্যক্তিসকলৰ প্ৰতিকৃতি, ত্ৰিমাত্ৰিক ছবি, গামোচাত অংকন কৰা জাতীয় সংগীত আদি সৃষ্টিকৰ্মই অধ্যাপক, ছাত্ৰ সমাজক বিমুগ্ধ কৰে।





⇧ Exhibition on the occasion OF National Science Day



Celebration of Swaraswati Puja 2021 in the institution

⇦








আমন্ত্ৰণী পত্ৰ

জয় গুৰু শংকৰ

সমস্ত ভূতৰে তুমি প্ৰাণ বল
আছা জগতক ধৰি।
চিনিলো তোমাক জগত ঈশ্বৰ
তুমি সনাতন হৰি।।

শ্ৰদ্ধাভাজনেষু,

আমাৰ সশ্ৰদ্ধ প্ৰণিপাত গ্ৰহণ কৰিব। ৰঙিয়া মহাবিদ্যালয় পৰিয়ালবৰ্গই জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ ৫৭৩ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ অহা ইং ২ নৱেম্বৰ,২০২১ তাৰিখ (মঙ্গলবাৰে) ৰঙিয়া মহাবিদ্যালয়ত দিনযোৰা কাৰ্য্যসূচীৰে আয়োজন কৰাৰ প্ৰয়াস কৰিছো। সেয়েহে উক্ত অনুষ্ঠানলৈ আপোনাক শ্ৰদ্ধা সহকাৰে আমন্ত্ৰণ জনালো।

উক্ত মহোৎসৱত বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ মাননীয় শ্ৰীযুত বশিষ্ঠ দেৱশৰ্মাদেৱে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

| | |
|---|---|
| ৰাতিপুৱা ৯-৩০ বজাত | ঃগুৰু আসন প্ৰতিষ্ঠা |
| ৰাতিপুৱা ১০-০০ বজাত | ঃনাম প্ৰসঙ্গ |
| ৰাতিপুৱা ১১-০০ বজাত | ঃবৰপেটা সত্ৰৰ দ্বাৰা পৰিচালিত থিয় নাম পৰিৱেশন |
| দুপৰীয়া ১২-৩০ বজাত | ঃপ্ৰসাদ আৰু লঘু আহাৰ বিতৰণ |

সেৱাৰে

ড০উজ্জ্বল দত্ত
তত্ত্বাৱধায়ক
শ্ৰীঅনুপ কুমাৰ ডেকা
সহঃতত্ত্বাৱধায়ক,

ড০ ব্ৰজেন্দ্ৰ শইকীয়া,অধ্যক্ষ
ৰঙিয়া মহাবিদ্যালয় তথা
সভাপতি
শ্ৰীমানস প্ৰতীম কলিতা
সাধাৰণ সম্পাদক
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

৫৭৩ সংখ্যক শ্ৰীমন্ত শংকৰদেৱ আৱিৰ্ভাৱ মহোৎসৱ

573th Birth Universary of of Sri Sri Srimanta Sankar Dev

Date : 2 November 2021

